**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
---------------------------------

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি পুনৰ ৩৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৰ উপস্থিতিত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰসমূহ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি অনুসৰি যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পালে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকেই প্ৰমাণ কৰিছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। কালিৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে।

আনহাতে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি পূজাৰ প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ পূজা মণ্ডপসমূহ সজাই তোলাৰ বাবে আয়োজকসকল ব্যস্ত হৈ পৰিছে।

ইপিনে, ৰাজ্য চৰকাৰে দ্বিতীয়বাৰলৈ বিভিন্ন জিলাৰ পুৰণি দুৰ্গা পূজা সমিতিসমূহক আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি প্ৰতিখন জিলাত আয়ুক্তসকলে প্ৰস্তুত কৰা তালিকাৰ  ভিত্তিত বেংক একাউণ্টৰ জৰিয়তে এই ধনৰাশি মোকলাই দিয়া হ'ব।

ইফালে, ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰী উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকসকলৰ সহায়ক হোৱাকৈ চৰকাৰে আজি কৃষকসকলৰ মাজত বিভিন্ন কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাই  ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ

যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি বিতৰণ কৰে। অনুষ্ঠানত কৃষকসকলৰ মাজত ৪ লাখতকৈও অধিক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ২১টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত অন্ধ্ৰপ্ৰদেশ, বিহাৰ, ছত্তিশগড়, ঝাৰখণ্ড, তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীসকলে অংশগ্ৰহণ কৰিছে। তদুপৰি এই বৈঠকত ৰাষ্ট্ৰীয় সুৰক্ষা উপ পৰামৰ্শদাতাৰ লগতে কেন্দ্ৰ, ৰাজ্য তথা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰিছে। বৈঠকৰ পূৰ্বে গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰ ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত বাওপন্থী সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ বদ্ধ পৰিকৰ। কেন্দ্ৰই এনে ৰাজ্যসমূহক নক্সালবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ যাৱতীয় সহযোগিতা আগবঢ়াইছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰণনীতিৰ বাবে ২০১০ চনৰ তুলনাত ২০২৩ চনত বাওপন্থী সন্ত্ৰাসবাদৰ হিংসাত্মক কাৰ্যকলাপ ৭২ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে মৃত্যুৰ সংখ্যা ৮৬ শতাংশলৈ হ্ৰাস পাইছে। আনহাতে ২০২৪ চনত বৰ্তমানলৈকে নিৰাপত্তা বাহিনীৰ হাতত ২০২টা বাওপন্থী সন্ত্ৰাসবাদীৰ মৃত্যু হোৱাৰ লগতে ৭২৩টা সন্ত্ৰাসবাদীয়ে আত্মসমৰ্পণ কৰিছে তথা ৮১২টা সন্ত্ৰাসবাদীক আটক কৰা হৈছে। একেদৰে এই বছৰত বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত জিলাৰ সংখ্যাও ৩৮লৈ হ্ৰাস পাইছে। মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে প্ৰভাৱিত ৰাজ্যসমূহৰ অতি ভিতৰুৱা অঞ্চলসমূহৰ উন্নয়নৰ বাবে পথ আৰু মোবাইল যোগাযোগৰ সুবিধাকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এই অঞ্চলসমূহত ১৪ হাজাৰ কিলোমিটাৰতকৈও অধিক পথ নিৰ্মাণ কৰাৰ লগতে প্ৰায় ছহেজাৰ মোবাইল টাৱাৰ স্থাপন কৰা হৈছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে গুৱাহাটী পৌৰ নিগমে বিগত বৰ্ষৰ দৰে এইবাৰো পূজা সমিতিসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ইয়াৰ সৈতে সংগতি ৰাখি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এখন সংবাদমেলযোগে স্বচ্ছতা বজাই ৰখা পূজা সমিতিসমূহক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰে। ইয়াৰ উপৰি পেলনীয়া সামগ্ৰী তথা জাবৰ আদি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা বেচৰকাৰী সংস্থাসমূহৰ মাজতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, লগতে পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত ভূমিকা লোৱা পাৰিষদসমূহৰ সংশ্লিষ্ট ৱাৰ্ডৰ উন্নয়নৰ বাবেও বিশেষ পুঁজি আগবঢ়োৱা হ'ব।

০০০০০০০

সমাপ্ত